**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-01-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
***--------------------***

১। বিনিয়োগকাৰীক ৰাজ্যলৈ আকৰ্ষণ কৰাৰ উদ্দেশ্যে টকিঅ'ত চলি থকা অসম সপ্তাহত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অংশগ্ৰহণ।

২। ছত্তীশগড় বিশ্ববিদ্যালয়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামত আসন প্ৰতিষ্ঠাৰ ব্যৱস্থা।

৩। সমূহীয়া অনাতাঁৰ কেন্দ্ৰ সম্পৰ্কীয় আকাশবাণীৰ দৃষ্টিপাত অনুষ্ঠানত এই সেৱাৰ বিভিন্ন দিশ উন্মোচন।

৪। আকাশবাণীৰ জৰিয়তে আজি দিনৰ ১১ বজাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ মন কী বাত। **আৰু**

৫। খো-খো বিশ্বকাপত আজি ভাৰতৰ পুৰুষ আৰু মহিলা উভয় শাখাৰ ফাইনেলত অৱতীৰ্ণ।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এডভাণ্টেজ আছামৰ লগত সংগতি ৰাখি বিনিয়োগকাৰীক ৰাজ্যলৈ আকৰ্ষণ কৰাৰ উদ্দেশ্যে টকিঅ'ত ভাৰতীয় দূতাবাসৰ উদ্যোগত চলি থকা অসম সপ্তাহত আজি অংশগ্ৰহণ কৰিব। এই উদ্দেশ্যে মুখমন্ত্ৰীগৰাকীয়ে এটা প্ৰতিনিধি দল লৈ কালি মাজনিশা জাপান অভিমুখে ৰাওনা হয়। টকিঅ'ত তেওঁ দেশখনৰ বিভিন্ন খণ্ডৰ বিনিয়োগকাৰীক সাক্ষাৎ কৰি ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীত হ'বলগীয়া এডভাণ্টেজ আছামত অংশগ্ৰহণৰ বাবে আমন্ত্ৰণ জনাব। ড০ শৰ্মাই টকিঅ'ত এটা ৰোড শ্ব'তো অংশগ্ৰহণ কৰিব। অসম সপ্তাহৰ জৰিয়তে অসমত বিনিয়োগৰ বাবে জাপানৰ বিনিয়োগকাৰীসকলক আকৰ্ষিত কৰাৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। এই অনুষ্ঠানত জাগীৰোডত স্থাপন হ'বলগীয়া ছেমি কণ্ডাক্টৰ প্ৰকল্পক বিশেষভাৱে উপস্থাপন কৰা হৈছে। মুখমন্ত্ৰীয়ে প্ৰতিৰক্ষা, পৰ্যটন, ই-উদ্যোগ আজি খণ্ডত বিনিয়োগৰ বাবে জাপানৰ বিনিয়োগকাৰীৰ মাজত প্ৰচাৰ চলাব। অসম সপ্তাহত অসমক দক্ষিণ-পূব এছিয়াৰ ৰাষ্ট্ৰসমূহৰ আটাইতকৈ ওচৰৰ আন্তৰ্জাতিক বজাৰ হিচাপে উপস্থাপন কৰা হৈছে। তদুপৰি অসমৰ প্ৰাকৃতিক প্ৰাচুৰ্য্য, ঐতিহ্য, সংস্কৃতি আদিৰ বিষয়েও ব্যাপক প্ৰচাৰ চলোৱা হৈছে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিনিয়োগকাৰীক আকৰ্ষণৰ উদ্দেশ্যে দক্ষিণ কোৰিয়াও ভ্ৰমণ কৰিব। দুয়োখন দেশতে তেওঁ ২৫ জানুৱাৰী পৰ্যন্ত থাকিব। তেওঁ ১০ ফেব্ৰুৱাৰীত ছিংগাপুৰলৈ ৰাওনা হ'ব আৰু ১৩ ফেব্ৰুৱাৰীলৈকে দেশখনত থাকি বিনিয়োগকাৰীৰ সন্ধান কৰিব।

০০০০০০

ছত্তীশগড় বিশ্ববিদ্যালয়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নামত এখন আসন প্ৰতিষ্ঠাৰ ব্যৱস্থা লোৱা হ'ব। ছত্তীশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাই কালি নলবাৰীৰ বেলশৰত চলি থকা অসম নাট্য সন্মিলনৰ ৬৩ সংখ্যক মধকালীন অধিৱেশনত অংশগ্ৰহণ কৰি এই কথা প্ৰকাশ কৰে। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা পোৱাৰ

পাছত বিশ্ব ভাৰতী বিশ্ববিদ্যালয়ত অসমীয়া বিভাগটোক পূৰ্ণাংগ ৰূপ দিয়াৰ ঘোষণা কৰা হৈছিল। ইয়াৰ পাছত ছত্তীশগড় বিশ্ববিদ্যালয়ত শংকৰদেৱৰ নামত আসন প্ৰতিষ্ঠাৰ কথাই স্বাভাৱিকতে অসমবাসীক উৎফুল্লিত কৰি তুলিছে। নাট্য সন্মিলনৰ অধিৱেশনৰ প্ৰথমখন মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ৰাজ্যপাল ৰমেন ডেকাই কয়, যে ছত্তীশগড়ৰ ৰজা চক্ৰধবজৰ নামত নাট্য সন্মিলনৰ শ্ৰেষ্ঠ অভিনেতাক বছৰি বঁটা দিয়াৰ বাবে মূলধন হিচাপে ৰাজভৱনৰ তৰফৰ পৰা ২ লাখ টকা সন্মিলনক দিয়া হ'ব। অসম আৰু ছত্তীশগড়ৰ মাজত সম্প্ৰীতিৰ বান্ধোন সৃষ্টি কৰিবলৈ বিশেষ ব্যৱস্থা লোৱাৰ লগতে ৰাজ্যখনত লাচিত দিৱসো উদযাপন কৰা হৈছে বুলি শ্ৰী ডেকাই উল্লেখ কৰে।

০০০০০০

শিক্ষা বিভাগৰ অধীনত প্ৰাদেশিকীকৃত মাধ্যমিক বিদ্যালয়ৰ স্নাতক আৰু স্নাতকোত্তৰ শিক্ষক পদৰ নিযুক্তি পৰীক্ষা আজি অনুষ্ঠিত হৈছে। আজি দুয়োবেলা দুটা পৰ্যায়ত হ'বলগীয়া পৰীক্ষাত স্নাতক পৰ্যায়ত ৩৯ হাজাৰ ২২৪ গৰাকী প্ৰাৰ্থী আৰু স্নাতকোত্তৰ পৰ্যায়ত ৩০ হাজাৰ ৩৫৮ গৰাকী প্ৰাৰ্থী অৱতীৰ্ণ হ'ব। এই পৰীক্ষাৰ সময়ছোৱাত শান্তিশৃংখলা অটুট ৰখাৰ বাবে বিভিন্ন জিলাত কেতবোৰ নিৰ্দেশনা জাৰি কৰা হৈছে। জিলাসমূহত জাৰি কৰা নিৰ্দেশনা অনুসৰি পৰীক্ষা কেন্দ্ৰৰ পৰা ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত প্ৰাৰ্থী আৰু পৰীক্ষাৰ সৈতে জড়িত কৰ্তৃপক্ষৰ বাহিৰে আন ব্যক্তিৰ উপস্থিতি নিষিদ্ধ কৰা হৈছে। তদুপৰি পৰীক্ষাকেন্দ্ৰৰ চাৰিওফালে যান-বাহন ৰখাৰ ব্যৱস্থা সীমিত কৰা হৈছে। পৰীক্ষা কেন্দ্ৰলৈ ম'বাইল ফোন, কেলকুলেটৰ, স্মাৰ্ট হাতঘড়ী, ব্লুটুথ আদি ইলেকট্ৰনিক সঁজুলি অনাৰ ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে।

০০০০০০

ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে চৰকাৰী আৰু প্ৰশাসনিক বিদ্যালয়সমূহৰ অসামৰিক কাম-কাজ নিৰীক্ষণৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। গুণোৎসৱৰ জৰিয়তে বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ পদক্ষেপ গ্ৰহণ কৰাৰ সময়তে সমগ্ৰ শিক্ষা অভিযানে এটা বিশেষ ৱেব প'ৰ্টেল প্ৰস্তুত কৰিছে। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এই প'ৰ্টেলটো মুকলি কৰাৰ লগতে শিক্ষাৰ্থীসকলৰ জ্ঞান-দক্ষতা নথিভুক্ত কৰিবলৈ দুখন কেৰিয়াৰ গাইডেন্স টেবুল বুক মুকলি কৰে। সমগ্ৰ শিক্ষা অভিযানৰ সঞ্চালক ড০ ওম প্ৰকাশ আৰু কাৰ্যবাহী সঞ্চালক ফণীন্দ্ৰ দাসৰ উপস্থিতিত শিক্ষামন্ত্ৰীগৰাকীয়ে প'ৰ্টেল মুকলি কৰি কয়, যে প্ৰতিখন জিলা পৰ্যায়ৰ বিষয়াই আন্তঃগাঁথনি নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ লোৱাত এই প'ৰ্টেলে বিশেষ ভূমিকা গ্ৰহণ কৰিব।

০০০০০০

মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীৰ নেতৃত্বত ৪০ জনীয়া ভকত-বৈষ্ণৱৰ এটা দল প্ৰয়াগৰাজত চলি থকা মহাকুম্ভ মেলাত অংশগ্ৰহণ বাবে ৰাওনা হৈছে। উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱসকলে প্ৰথমবাৰৰ বাবে মহাকুম্ভ মেলাত নামঘৰ, মণিকূট আৰু ৰাঙলি চ'ৰা নিৰ্মাণ কৰি উলিয়াইছে। ভকত-বৈষ্ণৱৰ এই দলটোৱে মেলাত ভাগৱত পাঠ, অংকীয়া ভাওনা, সত্ৰীয়া নৃত্য আৰু নাম-প্ৰসংগ পৰিৱেশন কৰিব। উল্লেখযোগ্য যে উত্তৰ প্ৰদেশৰ প্ৰয়াগৰাজত চলি থকা মহা কুম্ভমেলাত অগণন ভক্ত আৰু তীৰ্থযাত্ৰীৰ সমাগম দেখিবলৈ পোৱা গৈছে। এতিয়ালৈকে ৭ কোটি ৭২ লাখৰো অধিক ভক্তই মহাকুম্ভ মেলাত ভাগ লৈছে আৰু ত্ৰিবেণী সংগমত পৱিত্ৰ স্নান সম্পন্ন কৰিছে।

০০০০০০

আকাশবাণীৰ যোগে কালি প্ৰচাৰিত দৃষ্টিপাত অনুষ্ঠানত ৰাজ্যখনৰ কেইবাটাও সমূহীয়া অনাতাঁৰ কেন্দ্ৰই ক্ষুদ্ৰ পৰিসৰৰ ভিতৰতে তথ্য সমৃদ্ধ অনুষ্ঠান প্ৰচাৰৰ দ্বাৰা স্থানীয় লোকৰ সমস্যা উপস্থাপন আৰু জনগোষ্ঠীয় সাংস্কৃতিক বৈশিষ্ট্যক প্ৰতিফলিত কৰাত উল্লেখনীয় ভূমিকা গ্ৰহণ কৰিছে বুলি কেইবগৰাকীও উপস্থাপকে মত প্ৰকাশ কৰে। এই অনুষ্ঠানত ৰাজ্যৰ ছটা সমুহীয়া অনাতাঁৰ কেন্দ্ৰৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰে। সমূহীয়া অনাতাঁৰ কেন্দ্ৰৰ এগৰাকী অন্যতম পৰামৰ্শদাতা ভাস্কৰজ্যোতি আচাৰ্য আৰু আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰে অংশগ্ৰহণ কৰা এই অনুষ্ঠানত সমূহীয়া অনাতাঁৰ কেন্দ্ৰসমূহৰ অনুষ্ঠানৰ কিয়দাংশ প্ৰচাৰ কৰা হয়। এই অনুষ্ঠানত সম্প্ৰতি কলম্বোত থকা ভাৰতীয় উচ্চায়োগৰ অধীনৰ স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ সঞ্চালক ড০ অংকুৰণ দত্ত, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সমূহীয়া অনাতাঁৰ কেন্দ্ৰ জ্ঞানমালিনীৰ অনুষ্ঠান কাৰ্যবাহী স্বপ্নালী ভূঞা, গোৱালপাৰাৰ ৰেডিঅ' গোৱালপাৰাৰ হিৰকজ্যোতি নাথ, ব্ৰহ্মপুত্ৰ অনাতাঁৰ কেন্দ্ৰৰ ৰুমী নায়কে অংশগ্ৰহণ কৰে। কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ জ্ঞান তৰংগৰ সংগীতা চৌধুৰী আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমূহীয়া অনাতাঁৰ কেন্দ্ৰ ৰেডিঅ' লুইতৰ মৃদুমণি কাকতিয়েও অনুষ্ঠানত ভাগ লয়। ব্ৰহ্মপুত্ৰ অনাতাঁৰ কেন্দ্ৰৰ উপস্থাপিকা ৰুমী নায়কে এইদৰে কয়-

**বাইট (ৰুমী নায়ক)**

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১১৮ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব। ৰাজ্যখনৰ আটাইবোৰ আকাশবাণী কেন্দ্ৰই এই অনুষ্ঠান ৰিলে কৰিব। নিশা ৮ বজাত মন কী বাতৰ অসমীয়া ভাষান্তৰ পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০

অসম বিধানসভাৰ বাজেট অধিবেশন অহা ১৭ ফেব্ৰুৱাৰীৰ পৰা অনুষ্ঠিত হ'ব। তাৰ পূৰ্বে কালি বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীৰ অধ্যক্ষতাত এখন সৰ্বদলীয় বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত শ্ৰীদৈমাৰীয়ে বাজেট অধিবেশনৰ কাৰ্যক্ৰমণিকা নিয়াৰিকৈ পৰিচালনা কৰাৰ ক্ষেত্ৰত বিভিন্ন ৰাজনৈতিক দলৰ বিধায়কসকলৰ সহযোগিতা কামনা কৰে। উল্লেখযোগ্য যে, এই অধিবেশনৰ প্ৰথমটো দিনৰ কাৰ্যসূচীত এইবাৰ কোকৰাঝাৰত অনুষ্ঠিত হ'ব। কালিৰ বৈঠকত বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন কেইবাগৰাকীও মন্ত্ৰী আৰু বিধায়কে অংশগ্ৰহণ কৰে।

০০০০০০

উমৰাংছ'ৰ অবৈধ কয়লাখনিত শ্ৰমিকৰ মৃত্যুৰ ঘটনাৰ পাছতে ৰাজ্য চৰকাৰে অবৈধ কয়লাখনিসমূহ বন্ধ কৰাৰ বাবে তৎপৰ হৈ পৰিছে। খনি আৰু খনিজাত বিভাগে কেন্দ্ৰীয় সংস্থাসমূহৰ সৈতে আলোচনা কৰি ৰাজ্যখনৰ ৰেট হোল খনি বন্ধ কৰাৰ উদ্দেশ্যে কালি মাৰ্ঘেৰিটা সম-জিলা প্ৰশাসনে এটা অভিযান চলায়। এই অভিযানকালত

কয়লা খননত ব্যৱহৃত এখন এক্সকেভেটৰ জব্দ কৰাৰ লগতে তিনিজন শ্ৰমিকক আটক কৰে। নামদাঙৰ কলিয়ৰিত থকা ১৩টা অবৈধ ৰেট হোল খনি প্ৰশাসনে বন্ধ কৰি দিয়ে।

০০০০০০

সমাগত গণৰাজ্য দিৱসৰ ৰাষ্ট্ৰীয় কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে তিনিচুকীয়া জিলাৰ বাৰেকুৰিৰ দিপ্লৰ চুতীয়াক কেন্দ্ৰীয় চৰকাৰে আমন্ত্ৰণ জনাইছে। হলৌ সংৰক্ষণৰ বাবে দীৰ্ঘদিনে কাম কৰি অহা চুতীয়াই বাৰেকুৰি পৰিৱেশ সুৰক্ষা সমিতিৰ সহযোগত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰি পৰ্যটন ক্ষেত্ৰখনলৈও যথেষ্ট অৰিহনা আগবঢ়াইছে। উল্লেখযোগ্য যে যোৱা বছৰৰ ২৫ আগষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন কী বাত অনুষ্ঠানত বাৰেকুৰিৰ হলৌৰ বিষয়ে উল্লেখ কৰিছিল। অহা ২৫ জানুৱাৰীত দিল্লীলৈ ৰাওনা হ'বলগীয়া দিপ্লৰ চুতীয়াই গণৰাজ্য দিৱসৰ ৰাষ্ট্ৰীয় সমাৰোহত অংশগ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতেও এটা মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰিব বুলি জানিবলৈ দিছে।

০০০০০০

জলম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই কালি অসম জল ভৱনত বান আৰু নদী খহনীয়া ব্যৱস্থাপনা প্ৰাধীকৰণ অসমৰ অধীনত চলি থকা আঁচনিসমূহৰ এখন পৰ্যালোচনা বৈঠকত অংশ লয়। আঁচনিৰ অধীনত ডিব্ৰুগড়, তিনিচুকীয়া, মৰিগাঁও, কামৰূপ আৰু গোৱালপাৰা জিলাৰ বিভিন্ন অঞ্চলত চলি থকা ব্ৰহ্মপুত্ৰৰ খহনীয়া প্ৰতিৰোধী কামসমূহৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে বিভাগটোৰ অভিযন্তা, ঠিকাদাৰসকলক ক্ষিপ্ৰতাৰে খহনীয়া প্ৰতিৰোধী কামসমূহ সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে। একেটা প্ৰকল্পৰ অধীনত দ্বিতীয় পৰ্যায়ত শিৱসাগৰ, গোলাঘাট, যোৰহাট, ধেমাজিৰ স্পৰ্শকাতৰ অঞ্চলসমূহত খহনীয়া প্ৰতিৰোধী কাম হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

অসম জাতীয়তবাদী যুৱ ছাত্ৰ পৰিষদৰ শিৱসাগৰ জিলা সমিতিৰ দ্বিবাৰ্ষিক অধিৱেশন কালিৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত হৈছে। শিৱসাগৰ নগৰৰ সমীপৰ ৰুদ্ৰসাগৰত থকা ড০ ভূপেন হাজৰিকা ৰংগমঞ্চত অনুষ্ঠিত এই অধিৱেশনত কালি পুৱা পতাকা উত্তোলনৰ পাছতে ছহিদ তৰ্পণ, সতীৰ্থ স্মৰণ, গছপুলি ৰোপণ আদি কাৰ্যসূচী ৰূপায়ণ কৰা হয়। ইয়াৰ পাছতে সমন্বয় সাংস্কৃতিক শোভাযাত্ৰা আৰু সন্ধিয়ালৈ এখন মুকলি সভা অনুষ্ঠিত হয়। বিভিন্ন জাতীয় জনগোষ্ঠীয় দল-সংগঠনৰ নেতা-কৰ্মী উপস্থিত থকা মুকলি সভাখন যুৱ ছাত্ৰ পৰিষদৰ সভাপতি পলাশ চাংমাইয়ে উদ্বোধন কৰে। অধিৱেশনৰ দ্বিতীয় দিনা আজি প্ৰতিনিধি আৰু বিষয় বাছনি সভা অনুষ্ঠিত হোৱাৰ লগতে সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান প্ৰদৰ্শন কৰা হ'ব।

০০০০০০

আই আই টি খড়গপুৰৰ এদল গৱেষকৰ তথ্যত প্ৰকাশ পোৱা অনুসৰি অসমত উৎপাদিত বিভিন্ন ধৰণৰ পাচলিত বিপজ্জনক মাত্ৰাত ৰাসায়নিক কীটনাশক প্ৰয়োগ হোৱা বুলি উল্লেখ পোৱা এটা বাতৰি **দৈনিক অসম** কাকতে **পাচলিৰ নামত বৰবিহ খাইছে ৰাইজে** শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

দৈনিক জনমভূমি কাকতখনে এপ্ৰিল মাহত ৰাজ্য চৰকাৰে পালন কৰিবলগা শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান অনুষ্ঠানত উপস্থিত থাকিবলৈ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিমন্ত্ৰণ জনোৱাৰ বাতৰিতো প্ৰথম পৃষ্ঠাত স্থান দিছে।

ছত্তীশগড়ৰ বিশ্ববিদ্যালয়ত শংকৰদেৱৰ নামত আসন প্ৰতিষ্ঠা কৰা হ'ব বুলি ছত্তীশগড়ৰ ৰাজ্যপাল ৰমেন ডেকাই মন্তব্য আগবঢ়োৱাৰ এটা বাতৰি অসমীয়া প্ৰতিদিন কাকতে প্ৰথন পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটোত উল্লেখ কৰা মতে ৰাজ্যপালগৰাকীয়ে অসম নাট্য সন্মিলনিত ৰজা চক্ৰধৰ সিংহৰ নামত বঁটা দিবলৈ ২ লাখ টকাৰ অনুদান দিয়াৰ কথাও ঘোষণা কৰিছে।

দৈনিক অগ্ৰদূত কাকতখননে অসম বিজেপিৰ সভাপতিৰ দায়িত্ব লৈ তৃতীয়বাৰৰ বাবে অসমত বিজেপিয়ে চৰকাৰ গঠন কৰিব বুলি দীলিপ শইকীয়াই মন্তব্য আগবঢ়োৱাৰ বাতৰিটো প্ৰথম পৃষ্ঠাত স্থান দিছে।

উমৰাংছ' কয়লাখনিত নিহত শ্ৰমিক কেইজনৰ পৰিয়াললৈ খনি আৰু খনিজ মন্ত্ৰী কৌশিক ৰয়ে ১০ লাখ টকাকৈ অনুদান আগবঢ়োৱাৰ বাতৰিটো দি আছাম ট্ৰিবিউন কাকতখনে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

প্ৰয়াগৰাজৰ মহাকুম্ভ মেলালৈ মাজুলীৰ উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীৰ নেতৃত্বত ৪০ জনীয়া ভকত-বৈষ্ণৱৰ দলে যাত্ৰা কৰা বাতৰিটো অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

নিয়মীয়া বাৰ্তা কাকতখনে এডভাণ্টেজ আছাম অনুষ্ঠানৰ বিনিয়োগ আন্তঃগাঁথনি সন্মিলনত বিনিয়োগকাৰীক আমন্ত্ৰণ জনোৱাৰ বাবে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা জাপান আৰু দক্ষিণ কোৰিয়ালৈ যাত্ৰা কৰা বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।ooooo

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাওঁ।

oooooo

খো-খো বিশ্বকাপৰ ফাইনেলত ভাৰতে আজি নেপালৰ বিৰুদ্ধে খেলিব। খেলখন দিল্লীৰ ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। ভাৰতৰ পুৰুষ আৰু মহিলা উভয় দলে খো-খো বিশ্বকাপৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ভাৰতৰ পুৰুষ দলে কালি ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাক ৬২-৪২ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰে। নেপালে ছেমি ফাইনেলত ইৰানক ৭২-২৯ পইণ্টত পৰাভূত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। ইয়াৰ পূৰ্বে ভাৰতীয় মহিলা দলে জয়ৰ ধাৰা অব্যাহত ৰাখি দক্ষিণ আফ্ৰিকাক ৬৬-১৬ পইণ্টৰ ব্যৱধানত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। মহিলা দলটো আজি ফাইনেলত নেপালৰ সন্মুখীন হ'ব।

oooooo

বতৰৰ বতৰা- ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড আৰু মণিপুৰৰ ঠায়ে ঠায়ে কুঁৱলী পৰাৰ লগতে আকাশ ফৰকাল হৈ থাকিব বুলি আগলি বতৰা জাৰি কৰিছে। আনহাতে বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত পুৱাৰ ভাগত কুঁৱলী পৰাৰ লগতে দিনৰ ভাগত আকাশ ফৰকাল হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৭ দশমিক ৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১৪ দশমিক ৪ ডিগ্ৰী ছেলছিয়াছ।

oooooo

সমাপ্ত